**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

---

## HEADLINE

১। দেশ বিদেশত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন।

২। বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত ৰূপান্তৰকাৰী ভূমিকা পালন কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ প্ৰকাশ।

৩। নিশ্চিদ্ৰ নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে আজি পুনৰ নীট ইউজি।

৪। শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈ পৰা অম্বুবাচী মেলা। *আৰু*

৫। জাৰ্মানীৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ত প্ৰৱেশ।

০০০০০০

দেশ-বিদেশত আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পশ্চিমবংগৰ কলকাতাৰ ৰেড ৰোডত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ লয়। এই উপলক্ষে শ্ৰী মোদীয়ে কয়, যে যোগাভ্যাসৰ বাবে বছৰৰ আটাইতকৈ দীঘল দিনটো অৰ্থাৎ ২১ জুন সৰ্ববৃহৎ সামূহিক উদযাপনৰ দিন হৈ পৰিছে। তেওঁ কয়, যে যোগ অকল শাৰীৰিক ব্যায়ামেই নহয়, বৰং মানৱীয় উদ্যমৰো অভিব্যক্তি। তেওঁ কয়, যে ৪০ বছৰ বয়সত ২০ বছৰৰ দৰে নমনীয় আৰু ৫০ বছৰত ৩০ বছৰ বয়সতকৈও অধিক প্ৰাণৱন্ত হৈ থকাটো আমাৰ লক্ষ্য হোৱা উচিত। যোগাভ্যাসে সন্তুলিতভাৱে জীৱন ধাৰণত আৰু মানসিক স্বাস্থ্যৰ জৰিয়তে শাৰীৰিক সুস্থতাৰ পথ অন্বেষণত সহায় কৰে বুলি তেওঁ মন্তব্য কৰে।

**(বাইট)**

অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট উদ্যানত আজি পুৱা আয়োজিত ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য মন্ত্ৰী অশোক সিংহল আৰু পৰ্যটন মন্ত্ৰী অজন্তা নেওগে ভাগ লয়। অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানৰ সমান্তৰালকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ২৩ হাজাৰৰো অধিক গাঁৱৰ ৩৭ হাজাৰ ৩৮৩ টা স্থানত যোগাভ্যাসৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত আত্মসহায়ক গোটৰ ৩২ লাখৰো অধিক সদস্যাই অংশ লয়।

০০০০০০

বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত ৰূপান্তৰকাৰী ভূমিকা পালন কৰিছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। মেঘালয়ত কালি জোৱাই-নাৰ্টিয়াং-কড়িয়াপ-খান্দুলি সংযোগী পথ প্ৰকল্প মুকলি কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত ঋণৰ প্ৰায় ৯০ শতাংশ কেন্দ্ৰীয় চৰকাৰে ঘূৰাই দিয়ে আৰু ৰাজ্য চৰকাৰসমূহে নামমাত্ৰ ব্যয় বহন কৰে। এই ব্যৱস্থাৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ উপকৃত হৈছে বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমণে কয়, যে এই আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে সামগ্ৰিক প্ৰকল্প ব্যয় প্ৰায় ৭৫ শতাংশ বহন কৰি আহিছে। তেওঁ কয়, যে এই প্ৰকল্পসমূহে পথ,

বিদ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান, দক্ষতা বিকাশ কেন্দ্ৰ আৰু উন্নয়নৰ বাবে প্ৰয়োজনীয় অন্য সামাজিক আন্তঃগাঁথনি সৃষ্টিত পোনপটীয়াকৈ অৱদান আগবঢ়াই আহিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনিৰ এখন পৰ্যালোচনা বৈঠকত অংশ লৈ ৰাজ্যৰ নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয় প্ৰকল্পসমূহৰ কামৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগসমূহক সকলো প্ৰকল্প নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সুচাৰুৰূপে আৰু ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। আনহাতে প্ৰকল্পসমূহৰ নিয়মীয়া তদাৰক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে চিকিৎসা শিক্ষা সঞ্চালকালয়ক নিয়মিতভাৱে নিৰীক্ষণ আৰু পৰ্যবেক্ষণ অব্যাহত ৰখাৰ নিৰ্দেশ দিয়ে। ইপিনে মুখ্যমন্ত্ৰীয়ে চিকিৎসা মহাবিদ্যালয়ৰ চৌহদসমূহত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণৰ বাবে বন বিভাগৰ সৈতে সমন্বয় সাধনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত ৰাজ্যৰ বি এছ চি নাৰ্ছিং মহাবিদ্যালয় আৰু জি এন এম প্ৰতিষ্ঠানসমূহৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰা হয়। সভাখনত মুখ্য সচিব ড০ ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব ড০ কে কে দ্বিৱেদীকে ধৰি সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে পাঁচটা মূল নীতি ক্ৰমে সুস্থ জীৱন শৈলী আৰু প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা, ৰোগৰ আগতীয়া চিনাক্তকৰণ, স্থানীয় পৰ্যায়ত উন্নত চিকিৎসাৰ সুবিধা, স্বাস্থসেৱাৰ মান উন্নয়ন আৰু সম্পূৰ্ণ ডিজিটেলকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে ব্যক্ত কৰিছে। কালি চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ সভাকক্ষত হোৱা এখন বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই বিষয়ে অৱগত কৰে।

**বাইট (অশোক সিংহল)**

বৈঠকৰ পাছতে সঞ্চালকালয়ৰ সমীপতে থকা স্বাস্থ্য ভৱনৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে স্বাস্থ্যখণ্ডৰ সামগ্ৰিক উন্নয়ন, সেৱাৰ মান বৃদ্ধি আৰু জনসাধাৰণলৈ অধিক ফলপ্ৰসূ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। তেওঁ কয়, যে স্বাস্থ্য ক্লাবৰ দৰে পদক্ষেপ ৰাজ্যৰ চিকিৎসা ব্যৱস্থাটো অধিক শক্তিশালী কৰিব। ইপিনে ৰাজ্যত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণত আছে বুলি উল্লেখ কৰি ৰাইজক আতংকিত নহ'বলৈ তেওঁ আহ্বান জনায়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ তাৰাকেশ্বৰৰ পৰা পি এম কিষাণ উৎসৱ দিৱস কাৰ্যসূচী উপলক্ষে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনি ২৩ সংখ্যক কিস্তি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই আঁচনিৰ ধন যোগ্য কৃষকসকলৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা হয়। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত প্ৰতিজন যোগ্য হিতাধিকাৰী কৃষকে দুহেজাৰ টকাকৈ বছৰত তিনিটা কিস্তিত মুঠ ৬ হাজাৰ টকা লাভ কৰি আহিছে। অসমৰ বিভিন্ন জিলাৰ কৃষি বিভাগে প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানটো কৃষকৰ বাবে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে।

মৰিগাঁও জিলাৰ কৃষি বিভাগেও অনুষ্ঠানটোৰ পোনপটীয়া সম্প্ৰচাৰ কৰে। কপিলী উন্নয়ন খণ্ডৰ অধীনত চৰাইবাহী গাঁও পঞ্চায়তত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মৰিগাঁৱৰ প্ৰায় ৬৬ হাজাৰ ৫৯৪গৰাকী কৃষকে প্ৰধানমন্ত্ৰীৰ কৃষক সন্মাননিধি এই অনুদান লাভ কৰিছে।

শোণিতপুৰ জিলাতো কালি মুঠ ৩৭ হাজাৰ ৮০২গৰাকী কৃষকে এই আঁচনিৰ ধন লাভ কৰে। শিৱসাগৰ জিলাৰ ৬২ হাজাৰ ১৪৮গৰাকী কৃষকে বেংক একাউণ্টত পি এম কিষাণ আঁচনিৰ ধন লাভ কৰে।

০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীট ইউজি ২০২৬ৰ আজি পুনৰ অনুষ্ঠিত হ'ব। দেশৰ ৫৫১ খন আৰু বিদেশৰ ১৪ খন চহৰত হ'বলগীয়া এই পৰীক্ষাত ২২ লাখ ৭৯ হাজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পূৰ্বে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই জেমাৰ, চিচিটিভি আৰু বায়'মেট্ৰিক্স ব্যৱস্থাৰ কাৰ্যকাৰিতা পৰীক্ষাৰ বাবে কালি দেশজুৰি মকড্ৰিল বা আখৰাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে সংস্থাটো পৰীক্ষা নিকা, স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে।

সমগ্ৰ দেশৰ লগতে আজি অসমতো চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা চমুকৈ নীট পুনৰ অনুষ্ঠিত হ'ব। সুচাৰুৰূপে এই পৰীক্ষা আয়োজন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ নিয়ন্ত্ৰণ কক্ষত বিভাগীয় জ্যেষ্ঠ বিষয়া আৰু আৰক্ষী প্ৰশাসনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰি প্ৰস্তুতিৰ বুজ লয়। তেওঁ পৰীক্ষাৰ স্বচ্ছতা, নিৰাপত্তা আৰু বিশ্বাসযোগ্যতা নিশ্চিত কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে। ইফালে ৰাজ্যৰ জিলাসমূহতো প্ৰশাসনৰ চোকা নজৰত পৰীক্ষাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

000000

শক্তিপীঠ কামাখ্যা দেৱালয়ত কাইলৈ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে কাইলৈ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

প্ৰতি বছৰৰ দৰে এইবাৰো অম্বুবাচী মেলাক কেন্দ্ৰ কৰি নীলাচৰ বুকুত অৱস্থিত কামাখ্যা ধামলৈ অগণন সাধু-সন্যাসীৰ আগমন ঘটিছে। গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভীৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুনতা বজাই ৰখাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অম্বুবাচী মেলা চলি থকা কেইদিনা নিয়মীয়াকৈ ফ'গিঙৰ লগতে প্ৰতিদিনে তিনিবাৰকৈ কামাখ্য ধামৰ চৌহদ চাফচিকুন কৰাৰ ব্যৱস্থা কৰা হৈছে।

000000

ৰাজ্যৰ পৰ্যটন খণ্ডৰ বাবে সুখবৰ কঢ়িয়াই ইউৰোপীয় সংঘই অসম ভ্ৰমণৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা আনুষ্ঠানিকভাৱে প্ৰত্যাহাৰ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতত নিযুক্ত ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনে ৰাজ্যৰ মুখ্য সচিবক এই সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছে। উল্লেখযোগ্য যে এই সিদ্ধান্তৰ ফলত ইউৰোপীয় সংঘৰ ২৭ খন দেশৰ নাগৰিকে এতিয়াৰে পৰা অসম ভ্ৰমণ কৰিব পাৰিব। অৱশ্যে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বাহাল থকা চৰাইদেউ, তিনিচুকীয়া আৰু শিৱসাগৰ জিলাৰ ক্ষেত্ৰত এই সুবিধা প্ৰযোজ্য নহ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ অসমৰ পিছৰে পৰা ৰাজ্য চৰকাৰে বিদেশী দূতাবাসৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়া আৰু জাপানেও অসম ভ্ৰমণৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা উঠাই লৈছিল। আনহাতে আমেৰিকা আৰু কানাডায়ো যাতে অনুৰূপ পদক্ষেপ গ্ৰহণ কৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে চেষ্টা অব্যাহত ৰখা বুলি তেওঁ উল্লেখ কৰে।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰহিলৈ পুৱা ১১ বজাত হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা ২০২৬ৰ ফলাফল ঘোষণা কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি সামাজিক মাধ্যমযোগে এই কথা অৱগত কৰি সকলো পৰীক্ষাৰ্থীলৈ শুভকামনা জ্ঞাপন কৰে। পৰিষদে জনোৱা অনুসৰি পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ চৰকাৰী ৱেবছাইটৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফলসমূহ লাভ কৰিব পাৰিব।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডাৰ টৰ'ণ্টত অনুষ্ঠিত এখন খেলত জাৰ্মানীয়ে আইভৰি কষ্টক ২-১ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত জাৰ্মানীৰ হৈ ডেনিজ উণ্ডাভেই দুয়োটা গ'ল দিয়ে। ইপিনে ইকুৱেডৰ আৰু কুৰাচাঅ'ৰ মাজত কানছাছত অনুষ্ঠিত খেলখন গ'ল শূন্যভাৱে অমিমাংসীত হৈ ৰয়। প্ৰতিযোগিতাত কিছুসময় পাছত হ'বলগীয়া গ্ৰুপ-এফৰ এখন খেলত জাপান, টিউনিছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইফালে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰ হাষ্টনত অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত নেডাৰলেণ্ডছে ছুইডেনক অনায়াসে ৫-১ গ'লত পৰাস্ত কৰে। কালি অনুষ্ঠিত আন এখন খেলত ব্ৰাজিলে হেইটীক ৩-০ গ'লত পৰাভূত কৰে।

০০০০০০

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা সাত দিনত ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। এই সময়ছোৱাত নামনি অসম, মধ্য অসম, উজনি অসম আৰু বৰাক উপত্যকাত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে বিশেষকৈ কাইলৈৰ পৰা ২৪ জুনৰ ভিতৰত কামৰূপ মহানগৰ, কামৰূপ, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, কোকৰাঝাৰ, শোণিতপুৰ, নগাঁও, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া, কাছাৰ আৰু হাইলাকান্দি জিলাৰ কেতবোৰ স্থানত বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সকীয়াই দিছে। পৰৱৰ্তী দুই-তিনি দিনত গুৱাহাটীত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগে প্ৰকাশ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধীকৰণে বৰষুণৰ সম্ভাৱনালৈ চাই গুৱাহাটীৰ জনসাধাৰণক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। নিয়মীয়া আৰু দূৰণিবতিয়া যাত্ৰীসমূহক বৰষুণৰ সম্ভাৱনালৈ চাই যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ কোৱা হৈছে।

০০০০০০

**সমাপ্ত**